**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**-----------------------**

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি । ৰাজ্যত এই পৰ্যায়ত ৫টা সমষ্টিত নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ লগতে অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত।

২। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাত্চন স্বচ্ছ আৰু নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে নিৰ্বাচন আয়োগৰ বিশেষ তৎপৰতা গ্ৰহণ।

৩। তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা।

৪। অহা ৫মে'ৰ ভিতৰত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ। ***আৰু***

৫। আই পি এল প্ৰতিযোগিতাত আজি এখন খেলত গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ মুখামুখি।

০০০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। সেই অনুসৰি আজি বিয়লি ৫ বজাত প্ৰাৰ্থীসকলে নিৰ্বাচনী প্ৰচাৰ সমাপ্ত কৰিব লাগিব। আজি বিয়লি ৫ বজাৰ পৰা কোনো লোকে নিৰ্বাচনী প্ৰচাৰ সম্পৰ্কীয় সভা, শোভাযাত্ৰা আদি অনুষ্ঠিত কৰিব নোৱাৰিব বা কোনো জনসমাগমৰ মাজত প্ৰচাৰ চলাব নোৱাৰিব। দ্বিতীয় পৰ্যায়ত শুকুৰবাৰে ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৯টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। অসমত ৫টা লোকসভা সমষ্টিত ২৬ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। এই পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও লোকসভা সমষ্টিত ভোটদাতাসকলে ভোটাধিকাৰ সাব্যস্ত কৰিব। আজি প্ৰচাৰ অভিযানৰ অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ উদ্দেশ্যে ঠায়ে ঠায়ে ৰাজনৈতিক সভাত ভাগ লোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ কেইবাটাও স্থানত নিৰ্বাচনী সভাত অংশ ল'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে দলগাঁও, লাহৰীঘাট, মাজবাট, বেজেৰা আৰু কমলপুৰত নিৰ্বাচনী সভাত অংশ ল'ব।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে কৰিমগঞ্জৰ চুপ্রাকান্দিত সমাবেশত অংশ লোৱাৰ লগতে শিলচৰত এটা বাইক ৰেলীত অংশ ল'ব।

বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নগাওঁ জিলাৰ জুৰীয়াত দলৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী দিলীপ শইকীয়াৰ সমৰ্থনতো ছিপাঝাৰ, মঙ্গলদৈ, নাগ্ৰিজুলিত প্ৰচাৰ চলায়। ৰঙিয়াত এটা ৰোড শ্ব'তো মুখ্যমন্ত্ৰী গৰাকীয়ে অংশ লয়।

কংগ্ৰেছ দলৰ নগাওঁ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে কালি মৰিগাঁৱত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত ৰাইজৰ দলৰ নেতা অখিল গগৈয়ে অংশ লৈ বিজেপিৰ অৰ্থনৈতিক নীতিৰ তীব্ৰ সমালোচনা কৰে।

ইপিনে শিলচৰত কংগ্ৰেছ প্ৰাৰ্থী সূৰ্যকান্ত চৰকাৰৰ সমৰ্থনত সাংসদ গৌৰৱ গগৈয়ে এটা পদযাত্ৰাত অংশ লয়। সাংসদ বদৰুদ্দিন আজমলে কালি কৰিমগঞ্জৰ নিলামবজাৰত এ আই ইউ ডি এফৰ প্ৰাৰ্থী ছাহাবুল ইছলাম চৌধুৰীৰ হৈ প্ৰচাৰ কাৰ্যসূচীত অংশ লয়।

০০০০০০০

ৰাজ্যখনত দ্বিতীয় আৰু তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনসমূহে ভোটদাতাৰ সজাগতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে নিৰ্বাচনী আচৰণবিধি উলংঘাৰ ঘটনা ৰোধ কৰিবলৈ বিহিত ব্যৱস্থা লৈছে।

দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটগ্ৰহণ হ'বলগীয়া নগাঁও, বাক্সা, তামুলপুৰ জিলাত ১৪৪ ধাৰা জাৰি কৰা হৈছে। ইয়াৰ লগতে সংশ্লিষ্ট জিলাসমূহত সুৰা নিষিদ্ধৰ ঘোষণা কৰা হৈছে।

কৰিমগঞ্জ জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত এখন সংবাদ মেল অনুষ্ঠিত হয়। মৰিগাঁও জিলাত কালি আত্মসহায়ক গোটৰ মহিলাসকলে ভোটদানৰ বাবে জনসাধাৰণক সজাগ কৰিবলৈ বিশেষ কাৰ্যসূচী গ্ৰহণ কৰে। জিলাখনৰ ৮৫ খন গাঁও পঞ্চায়ত আৰু ১১ টা ৱাৰ্ডত কালি মহিলাসকলে শোভাযাত্ৰা উলিয়ায়। উল্লেখযোগ্য যে জিলাখনত ২৯টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালনা কৰা হ'ব। আনহাতে ৬টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ, এটা মহিলা দিব্যাংগ ভোটগ্ৰহণকাৰীৰ দ্বাৰা পৰিচালিত হ'বলগীয়া কেন্দ্ৰ থাকিব।

ইপিনে, ধুবুৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি জিলা নিৰ্বাচনী বিষয়াই সংবাদ মেল সম্বোধন কৰি জিলাখনৰ সুচাৰুৰূপে নিৰ্বাচন পৰিচালনা কৰাত সকলো পক্ষৰ সহযোগিতা কামনা কৰে। নিৰ্বাচনৰ দিনটোত আন্তঃৰাষ্ট্ৰীয় সীমান্তত চোকা নজৰ ৰাখিবলৈ গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও তেওঁ উল্লেখ কৰে।

০০০০০০০

অহা ৭ মে'ত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই পৰ্যায়ত ২ হেজাৰ ৯৬৩ গৰাকী প্ৰাৰ্থীয়ে ৯৫টা সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰিছিল। ইপিনে, অসমত এই পৰ্যায়ত ৪৭ গৰাকী প্ৰাৰ্থীয়ে

প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনকলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত আছে।

গুৱাহাটী লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিয়ে আজি গুৱাহাটীৰ কেইবাটাও স্থানত প্ৰচাৰ অভিযান চলাব। বিজেপি প্ৰাৰ্থীগৰাকীয় দলীয় নেতা-কৰ্মীৰ সৈতে চুণখালি নামঘৰ, কাঞ্চননগৰ, বিষ্ণুপুৰ, শান্তিপুৰ, কমাৰপত্ৰী, পাণবজাৰ আৰু বৰবাৰীত প্ৰচাৰ অভিযানত অংশ ল'ব। আনহাতে, গুৱাহাটী সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰেও আজি কেইবাঠাইতো নিৰ্বাচনী সভাত অংশ ল'ব। বকো সমষ্টিৰ গোহালকোনা, মালং,শান্তিপুৰ আৰু  বকো আদি অঞ্চলত প্ৰচাৰ অভিযান চলাব। ইপিনে, বৰপেটা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দ্বীপ বায়নে কালি হাজোৰ পতনীত কংগ্ৰেছ দলৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ কাইলৈ অন্ত পৰিব। শুকুৰবাৰে মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ২৯ এপ্ৰিললৈকে মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। চতুৰ্থ পৰ্যায়ত উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, ঝাৰখণ্ড, ওড়িশা, পশ্চিমবংগ, অন্ধ্ৰপ্ৰদেশ, তেলেংগানা আৰু জম্মু-কাশ্মীৰৰ ৯৬ টা সংসদীয় সমষ্টিৰ বাবে ১৩ মে'ত ভোটগ্ৰহণ কৰা হ'ব।

০০০০০০০

অৰুণাচল প্ৰদেশৰ চাৰিটা বিধানসভা সমষ্টিৰ আঠটা ভোটগ্ৰহণ কেন্দ্ৰত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ ইতিমধ্যে আৰম্ভ হৈছে। বিয়লি ২ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত যোৱা ১৯ এপ্ৰিলত বিধানসভা আৰু লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল যদিও নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিয়ে। বামেং আৰু নিয়াপিন বিধানসভা সমষ্টিৰ এটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ, ৰুমগং সমষ্টিৰ দুটা আৰু নাছ' বিধানসভা সমষ্টিৰ চাৰিটা কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ভোটগ্ৰহণ সম্পন্ন হোৱাৰ পাছত আজিয়েই এই ভোটগ্ৰহণ কেন্দ্ৰকেইটাত 17A প্ৰ-পত্ৰ পৰীক্ষা কৰা হ'ব।

০০০০০০০

বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত প্ৰথম পৰ্যায়ৰ নিৰ্বাচন সন্দৰ্ভত আলোচনা কৰা হয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে দ্বিতীয় পৰ্যায়ৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বিধানসভা সমষ্টিৰ বিজেপি বিধায়কসকলৰ সৈতে নিৰ্বাচনী ৰণনীতি সন্দৰ্ভত  আলোচনা কৰে।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ২০২৪ বৰ্ষৰ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল অহা ৫ মে'ৰ ভিতৰত ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, ৰাজ্যখনৰ

৮৭৬টা কেন্দ্ৰত অনুষ্ঠিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষাত মুঠ ২ লাখ ৮০ হাজাৰ ২১৬ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে ১ লাখ ৩৭ হাজাৰ ৪৮৪ জন ছাত্ৰ আৰু ১ লাখ ৪২ হাজাৰ ৭৩২ গৰাকী ছাত্ৰী। অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ এটা সূত্ৰই প্ৰকাশ কৰা মতে, এই বেলি ফলাফলৰ ক্ষেত্ৰত ষ্টেণ্ড বা স্থান লাভৰ ব্যৱস্থা উঠাই দিয়া নিদিয়া সম্পৰ্কত এতিয়ালৈ কোনো সিদ্ধান্ত লোৱা নাই। শিক্ষা সংসদে আলোচনাৰ ভিত্তিত দুই এদিনৰ ভিতৰতে এই সম্পৰ্কত সিদ্ধান্ত ল'ব বুলি জানিব পৰা গৈছে।

আনহাতে ৰাজ্যৰ বিভিন্ন শিক্ষানুষ্ঠানত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবে শিক্ষা সংসদে কালি দৰ্পণ শীৰ্ষক এটা নামভৰ্তি প'ৰ্টেল মুকলি কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে www.darpan.ahseconline.in বা www.ahsec.govt.in ত অনলাইনৰ জৰিয়তে আৱেদন দাখিল কৰিব পাৰিব। অহা ২ মে' পৰ্যন্ত আৱেদন দাখিলৰ সময়সীমা ধাৰ্য কৰা হৈছে। অনলাইন আৱেদনৰ দাখিলৰ পিছত ৩ মে'ৰ পৰা ৪ মে'ৰ ভিতৰত শিক্ষানুষ্ঠানসমূহৰ দ্বাৰা যোগ্যতা তালিকা, অপেক্ষাৰত তালিকা প্ৰস্তুত কৰা হ'ব। ৬ৰ পৰা ৮ মে'ৰ ভিতৰত ছাত্ৰ-ছাত্ৰীসকলে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহে নামভৰ্তি কৰিব লাগিব বুলি জানিব পৰা গৈছে।

oooooooo

সত্ৰীয়া গৱেষক, সাধক, পণ্ডিত জিতেন্দ্ৰ নাথ প্ৰধানীলৈ এই বৰ্ষৰ মাধৱদেৱ বঁটা আগবঢ়োৱা হৈছে। নিৰলস সাধনা আৰু অধ্যয়নেৰে সত্ৰীয়া সংস্কৃতিৰ ক্ষেত্ৰখনত উল্লেখযোগ্য বৰঙণি যোগাই অহা আৰু মহাপুৰুষ দুজনাৰ আদৰ্শক সাধাৰণ মানুহৰ মাজলৈ বোৱাই নি ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কৰাৰ  বাবে ২০১৭ চনৰে পৰা সুন্দৰিদিয়া সত্ৰই একো একোজন বিশেষ পণ্ডিতক এই বঁটা প্ৰদান কৰি আহিছে। মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱে প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত বৰপেটাৰ সুন্দৰিদিয়া সত্ৰই প্ৰদান কৰি অহা এই বঁটা পূৰ্বৰ বছৰবোৰত বৰঙাজুলি সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত হৰেকৃষ্ণ মহন্ত, ওদালগুৰিৰ দেৱৰাজ সাপকাটা আৰু বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া প্ৰয়াত বশিষ্ঠ দেৱ শৰ্মাই লাভ কৰিছে। অহা ২৪ মে' অৰ্থাৎ ১০ জেঠত অনুষ্ঠিত হ'বলগীয়া মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ আৱিৰ্ভাৱ তিথি মহোৎসৱত বিশিষ্ট গৱেষক প্ৰধানীদেৱক এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে, জিতেন্দ্ৰ নাথ প্ৰধানীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে পশ্চিম অসম আৰু উত্তৰ বংগৰ কোচ বিহাৰ, তুফানগঞ্জ, হৰিপুৰ, আলিপুৰ দুৱাৰ, জলপাইগুৰি আদি অঞ্চলসমূহৰ ৰাইজৰ নামত একশৰণ নামধৰ্মৰ লগতে গুৰু দুজনাৰ অমূল্য অৱদান সত্ৰীয়া কৃষ্টি সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ উপৰি  এইসমূহ অঞ্চলত সত্ৰ, নামঘৰ আদি নিজস্ব প্ৰচেষ্টাৰে প্ৰতিষ্ঠা কৰি অসমৰ বৰ্ণিল আৰু চহকী সত্ৰীয়া সংস্কৃতিৰ বিশ্বমুখী যাত্ৰা অব্যাহত ৰখাৰ ক্ষেত্ৰত অহৰহভাৱে আত্মনিয়োগ কৰি আহিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃত বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা জিতেন্দ্ৰ নাথ প্ৰধানীয়ে অসম চৰকাৰৰ সাংস্কৃতিক বিষয়া হিচাপে কৰ্মজীৱন আৰম্ভ কৰে যদিও সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰৰ তাৰণাত সাংস্কৃতিক বিষয়াৰ চাকৰিৰ পৰা অব্যাহতি লৈ সত্ৰশাল উচ্চ মাধ্যমিক বিদ্যালয়ত সংস্কৃতৰ শিক্ষক হিচাপে যোগদান কৰে।

oooooooo

চিৰাং জিলাৰ কাজলগাঁও সদৰ থানাৰ অন্তৰ্গত ঢালিগাঁৱৰ বৰতালোৱাত কালি নিশা সংঘটিত অগ্নিকাণ্ডৰ ঘটনাত এটা পৰিয়ালৰ বাসগৃহ ভস্মীভূত হোৱাৰ লগতে কেইবা লক্ষাধিক টকাৰ সা-সম্পত্তি বিনষ্ট হয়। পৰিয়ালটোৱে ব্যৱহাৰ কৰা ৰন্ধন গেছৰ পৰা এই অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হৈছে বুলি জানিব পৰা গৈছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ দেলহি কেপিটেলছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইফালে, লক্ষ্নৌ ছুপাৰ জায়েণ্টছে যোৱানিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ২১০ ৰান কৰে। চেন্নাইৰ হৈ অধিনায়ক ৰুতুৰাজ গায়কোৱাডে সৰ্বাধিক ১০৮ ৰান কৰাৰ বিপৰীতে শিৱম ডুবেই ৬৬ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত লক্ষ্নৌ ছুপাৰ জায়েণ্টছে ১৯ অভাৰ আৰু ৩টা বলত ৪ উইকেটৰ বিনিময়ত ২১৩ ৰান সংগ্ৰহ কৰে। লক্ষ্নৌ ছুপাৰ জায়েণ্টছৰ হৈ মাৰ্কাছ ষ্টয়নিছে ৬৩টা বলত ১২৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। কালিৰ জয়ৰ পাছত লক্ষ্নৌ ছুপাৰ জায়েণ্টছ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ আৰু চেন্নাই পঞ্চম স্থানত আছে।

০০০০০০০

অসম ফুটবল সন্থাৰ উদ্যোগত চিৰাং জিলাৰ ভাৰত-ভূটান সীমান্তৰ ৰুনীখাটা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত ২০ বছৰ অনুৰ্ধ ল'ৰাৰ ফুটবল খেলৰ প্ৰশিক্ষণ শিৱিৰ চলি আছে। অসমৰ বিভিন্ন প্ৰান্তৰ ২২ জনীয়া প্ৰতিভাৱান খেলুৱৈয়ে এই প্ৰশিক্ষণ শিৱিৰত অংশ লৈছে। অহা ১১ মে'ৰ পৰা ছত্তিশগড়ৰ নাৰায়ণপুৰত অনুষ্ঠিত হ'বলগীয়া স্বামী বিবেকানন্দ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত এই শিৱিৰৰ খেলুৱৈসকলে অংশগ্ৰহণ কৰিব। খেলুৱৈসকলক প্ৰেৰণা আৰু মনোৰঞ্জন দিয়াৰ লক্ষ্যৰে কালি ময়দান নামৰ চলচ্চিত্ৰ এখন প্ৰদৰ্শন কৰা হয়। চিৰাঙৰ চাপাগুৰিস্থিত ইউনিভাৰচেল ষ্টুডিঅ'ত অসম ফুটবল সন্থাৰ সম্পাদক ড০ চাংগ্ৰাং ব্ৰহ্মৰ তত্বাবধানত উদীয়মান ফুটবল প্ৰতিভাক উৎসাহিত কৰাৰ বাবে অসম ফুটবল সংস্থাই এই পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০

লোকসভা নিৰ্বাচনৰ বাবে আজি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰি কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত এই বাতৰিটো প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে ৫ সমষ্টিত আজি প্ৰচাৰৰ সামৰণি শীৰ্ষক শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ২৬ এপ্ৰিলত ৫টা সমষ্টিত ৯ হাজাৰ ১৩৩টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব।

ৰিজিজুৰ মন্তব্যত ৰাজ্যত ক্ষোভৰ অগনি শীৰ্ষক শিৰোনামেৰে **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চাকমা, হাজং শৰণাৰ্থীক অসমত সংস্থাপনক লৈ ৰাজনীতি উত্তাল হোৱা বুলি প্ৰকাশ কৰিছে। অৰুণাচলৰ বোজা বহন কৰিব অসমে শীৰ্ষক শিৰোনামেৰে **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বিষয়কে ৰিজিজুৰ বক্তব্যক নসাৎ মুখ্যমন্ত্ৰীক শীৰ্ষক শিৰোনামেৰে **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বিজেপিৰ সভালৈ হিল দৌল ভাঙি আহিল সংখ্যালঘু শীৰ্ষক শিৰোনামেৰে ৰূপহী, চামগুৰিত মুখ্যমন্ত্ৰীৰ বিশাল প্ৰচাৰ সভাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

বিপথে পৰিচালিত বিজ্ঞাপন গোচৰৰ শুনানিত মঙলবাৰে উচ্চতম ন্যায়ালয়ে যোগগুৰু ৰামদেৱৰ পতঞ্জলি আয়ুৰ্বেদক ৰাজহুৱা ক্ষমাৰ বিষয়টোক লৈ প্ৰশ্ন উত্থাপন কৰে। এই বাতৰিটো দি **আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ২৪ এপ্ৰিলৰ সন্ধিয়া ৫ বজাৰ পৰা ২৬ এপ্ৰিলৰ সন্ধিয়া ৫ বজালৈকে সম্পূৰ্ণ ৪৮ ঘণ্টাৰ বাবে ড্ৰাই ডে' প্ৰযোজ্য হ'ব। ভোটগ্ৰহণ হ'বলগীয়া ৫ টা সমষ্টিত ২৪ এপ্ৰিলৰ সন্ধিয়া ৫ বজাৰ পৰা কোনো লোকে নিৰ্বাচনী প্ৰচাৰ সম্বন্ধীয় সভা, শোভাযাত্ৰা আদি অনুষ্ঠিত কৰিব নোৱাৰিব। **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত এই বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

সংখালঘুৰ ভোটক লৈ ৩ পক্ষৰ যুঁজ শীৰ্ষক শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে নগাঁও, কৰিমগঞ্জত ৰাজনৈতিক দৃশ্যপটৰ বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

মেৰুকৰণৰ অধিক কঠোৰ কৌশল মোদীৰ শীৰ্ষক শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাজস্থানৰ টংক জিলাত মঙলবাৰে অনুষ্ঠিত এখন নিৰ্বাচনী সমাৰেশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগবঢ়োৱা নিৰ্বাচনী ৰণ-কৌশল সন্দৰ্ভত বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooooo

ভাৰতে পৰৱৰ্তী বিশ্ব এথলেটিকছ ৰিলে ২০২৪ প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া ৰিলে দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। পেৰিছ অলিম্পিকৰ যোগ্যতা অৰ্জনকাৰী প্ৰতিযোগিতা হিচাপে গণ্য কৰিবলগা এই প্ৰতিযোগিতাখন অহা ৪ আৰু ৫ মে'ত বাহামাৰ নাছাউত অনুষ্ঠিত হ'ব। ঘোষিত ভাৰতীয় দলটোৰ খেলুৱৈসকলে পুৰুষ, মহিলা আৰু মিক্সড় শাখাৰ ফ'ৰ ইনটু ফ'ৰ হাণ্ড্ৰেড মিটাৰ ৰিলে দৌৰত দেশক প্ৰতিনিধিত্ব কৰিব।

ooooooo

সমাপ্ত